# খাদ্য সুৰক্ষা আইন ২০১৩

বিশ্বব্যাপী খাদ্য সুৰক্ষাৰ মৌলিক ধাৰণা হৈছে সকলো লোকে, সকলো ব্যক্তিয়ে, স্বাস্থ্যকৰ জীৱনৰ বাবে প্ৰয়োজনীয় আহাৰ প্ৰাপ্ত কৰাটো নিশ্চিত হোৱা। যদিও ভাৰতীয় সংবিধানত খাদ্যৰ অধিকাৰ সম্পৰ্কে কোনো স্পষ্ট বৰ্ণনা দিয়া হোৱা নাই, তথাপি সংবিধানৰ অনুচ্ছেদ 21 ত জীৱনৰ মৌলিক অধিকাৰ প্ৰদান কৰি মৰ্যাদাপূৰ্ণ ভাৱে জীয়াই থকাৰ অধিকাৰ অন্তৰ্ভুক্ত কৰা হৈছে, ইয়াতে খাদ্যৰ অধিকাৰ আৰু অন্যান্য মৌলিক প্ৰয়োজনীয়তা বিষয়টো অন্তৰ্ভুক্ত হৈ আছে।

তথাপি খাদ্য সুৰক্ষাৰ বাবে ৰাজহুৱা বিতৰণ প্ৰণালীৰজৰিয়তে চৰকাৰে দীৰ্ঘদিন ধৰি কাম কৰি আহিছে, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন (এনএফএছএ) 2013 5 জুলাই, 2013 তাৰিখে প্ৰণয়ন কৰাটোৱে খাদ্য সুৰক্ষাৰ দৃষ্টিভংগীৰ এক দৃষ্টান্তমূলক উদাহৰণ।

আইনখনে গ্ৰাম্য জনসংখ্যাৰ 75% আৰু নগৰীয়া জনসংখ্যাৰ 50% লোকক ৰাজহুৱা বিতৰণ প্ৰণালীৰ অধীনত ৰাজসাহায্যযুক্ত খাদ্যশস্য প্ৰাপ্ত কৰাৰ অধিকাৰ প্ৰদান কৰে। মুঠ জনসংখ্যাৰ প্ৰায় দুই তৃতীয়াংশ লোক এই আচনিৰ জৰিয়তে সাহায্যপ্ৰাপ্ত খাদ্যশস্য প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰা হৈছে।

আনহাতে মহিলা সৱলীকৰণৰ দিশত এক পদক্ষেপ হিচাপে, 18 বছৰ বা তাতকৈ অধিক বয়সৰ মহিলাক পৰিয়ালৰ মুৰব্বী হিচাপে চিহ্নিত কৰি আইনখনৰ অধীনত ৰেচন কাৰ্ড জাৰী কৰা হৈছে।

এই আইনখন সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল সমূহত  কাৰ্যকৰী কৰা হৈছে, আৰু সৰ্বভাৰতীয় ভিত্তিত, সৰ্বাধিক 81.34 কোটি লোকৰ ভিতৰত , সাহায্যপ্ৰাপ্ত খাদ্যশস্য প্ৰদান কৰাৰ বাবে বৰ্তমান এনএফএছএৰ অধীনত প্ৰায় 80 কোটি লোকক সামৰি লোৱা হৈছে। ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল সমূহৰ দ্বাৰা হিতাধিকাৰী চিনাক্তকৰণ হৈছে এক নিৰন্তৰ প্ৰক্ৰিয়া।

আইনখনৰ এক নিৰ্দেশনামূলক নীতি হৈছে ইয়াৰ জীৱন-চক্ৰ পদ্ধতি। য'ত গৰ্ভৱতী আৰু দুগ্ধ পান কৰোৱা মহিলাৰ লগতে 6 মাহৰ পৰা 14 বছৰ বয়সৰ শিশুৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে, তেওঁলোকক আইচিডিএছ কেন্দ্ৰৰ এক বিস্তৃত নেটৱৰ্কৰ জৰিয়তে বিনামূলীয়াকৈ পুষ্টিকৰ আহাৰ প্ৰদান কৰাৰ লগতে মধ্যাহ্ন ভোজন আঁচনিৰ অধীনত বিদ্যালয়ৰ সমূহত খাদ্যৰ যোগানৰ ব্যৱস্থা কৰা হৈছে। 6 বছৰ বয়সলৈকে পুষ্টিহীন শিশুৰ বাবে উচ্চ পুষ্টিৰ নিয়ম নিৰ্ধাৰণ কৰা হৈছে। গৰ্ভৱতী মহিলা আৰু স্তন্যপান কৰাই থকা মাতৃসকলে গৰ্ভধাৰণৰ সময়ছোৱাত মজুৰি ৰক্ষাৰ বাবে আংশিকভাৱে ক্ষতিপূৰণ দিবলৈ আৰু লগতে পুষ্টিৰ পৰিপূৰক হ'বলৈ 6,000 টকাৰ নগদ মাতৃত্বকালীন আৰ্থিক অনুদান আগবঢ়োৱা হৈছে।

**এন.এফ.এছ.এ. ৰ দায়বদ্ধতাসমূহ**

এন.এফ.এছ.এ. য়ে কেন্দ্ৰ, ৰাজ্য, আৰু  কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰৰ যুটীয়া দায়িত্ব নিৰ্ধাৰণ কৰে। যদিও কেন্দ্ৰীয় চৰকাৰ, অঞ্চলসমূহলৈ প্ৰয়োজনীয় খাদ্যশস্য আৱন্টন, খাদ্যশস্য পৰিবহন,বিতৰণ আদিৰ ক্ষেত্ৰত সহায় প্ৰদান কৰাৰ বাবে

দায়বদ্ধ। আইনখনৰ কাৰ্যকৰী ৰূপায়ণৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰ সমূহ দায়বদ্ধ। যেনে, যোগ্য পৰিয়ালচিনাক্তকৰণ, তেওঁলোকক ৰেচন কাৰ্ড জাৰী কৰা, সুলভ মূল্যৰ দোকানৰ জৰিয়তে যোগ্য পৰিয়ালবোৰক খাদ্যশস্য বিতৰণ কৰা, ফেয়াৰ প্ৰাইচ শ্বপ ডিলাৰসকলক অনুজ্ঞাপত্ৰ জাৰী কৰা আৰু তেওঁলোকৰ নিৰীক্ষণ, অভিযোগ নিষ্পত্তি প্ৰণালী স্থাপন কৰা।

**এন.এফ.এছ.এ.ৰ অধিকাৰ ক্ষেত্ৰ**

এন.এফ.এছ.এ য়ে গ্ৰাম্য জনসংখ্যাৰ 75% নগৰীয়া জনসংখ্যাৰ 50% অন্তোদয়া অন্ন যোজনাৰ অধীনত সামৰি লয়।। ইয়াৰ অধীনৰ পৰিয়ালসমূহে প্ৰতি মাহে 35 কিলোগ্ৰাম খাদ্যশস্য লাভ কৰে, প্ৰতি মাহে প্ৰতিজন ব্যক্তিৰ বাবে 5 কিলোগ্ৰাম খাদ্যৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাবে 2011-12 বৰ্ষৰ বাবে ঘৰুৱা ব্যৱহাৰ জৰীপৰ তথ্য ব্যৱহাৰ কৰি নিৰ্ধাৰণ কৰা হৈছিল। আইনখনৰ ধাৰা 10-ত উল্লেখ কৰা হৈছে যে টিপিডিএছৰ অধীনত কভাৰেজৰ বাবে নিৰ্ধাৰিত ব্যক্তিৰ সংখ্যাৰ ভিতৰত, ৰাজ্য চৰকাৰে আঁচনিখনৰ বাবে পৰিয়ালবোৰ চিনাক্ত কৰিব। আৰু বাকী পৰিয়ালবোৰক অগ্ৰাধিকাৰ দিয়া পৰিয়াল হিচাপে টিপিডিএছৰ অধীনত অন্তৰ্ভুক্ত কৰিব লাগিব।

**এন.এফ.এছ.এ. ৰ অধীনত কেন্দ্ৰই ধাৰ্য কৰা মূল্য**

এন.এফ.এছ.এ.-ৰ অধীনত খাদ্যশস্যআইন আৰম্ভ হোৱাৰ তাৰিখৰ পৰা তিনি বছৰৰ প্ৰাৰম্ভিক সময়ৰ বাবে চাউল, ঘেঁহু আৰু মোটা শস্যৰ বাবে ক্ৰমান্বয়ে 3/2/1 টকা ৰাজ সাহায্যযুক্ত মূল্যত উপলব্ধ কৰা। পাছত কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে মূল্য সমূহ নিৰ্ধাৰণ কৰাৰ ব্যৱস্থা কৰিব পাৰিব কিন্তু এম এচ পি অতিক্ৰম কৰিব নোৱাৰিব। চৰকাৰে সময়ে সময়ে এনএফএছএ-ৰ অধীনত ওপৰোক্ত ৰাজসাহায্যযুক্ত মূল্যবোৰ অব্যাহত ৰখাৰ সিদ্ধান্ত লৈছে আৰু সেইবোৰৰ বৈধতা অন্তিমবাৰ জুন, 2019 লৈকে বৃদ্ধি কৰা হৈছে।

**প্ৰত্যক্ষ লাভালাভ স্থানান্তৰ**

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনে টিপিডিএছ ত সংস্কাৰৰ ব্যৱস্থা কৰিছে যাৰ ভিতৰত আছে খাদ্যৰ অধিকাৰ প্ৰদানৰ বাবে নগদ ধন স্থানান্তৰৰ দৰে আঁচনি। নগদ ধন স্থানান্তৰৰ বাবে এন.এফ.এছ.এ.ৰ ধাৰা 12 ৰ অধীনত এই ব্যৱস্থা কাৰ্যকৰী কৰাৰ বাবে, চৰকাৰে আগষ্ট 2015 ত 'খাদ্য সাহাৰ্যৰ বাবে নগধ ধন আৱন্তন আচনি জাৰি কৰিছিল।

ডি.বি.টি. ৰ উদ্দেশ্য হৈছে-

১। খাদ্যশস্যৰ বৃহৎ ভৌতিক চলাচলৰ প্ৰয়োজনীয়তা হ্ৰাস কৰা।

২। হিতাধিকাৰীসকলক তেওঁলোকৰ ব্যৱহাৰৰ পৰিমান নিৰ্বাচনৰ বাবে অধিক স্বায়ত্তশাসন প্ৰদান কৰা।

৩। আহাৰৰ বৈচিত্ৰতা বৃদ্ধি কৰা।

৪। লিকেজ হ্ৰাস কৰা।

৫। উন্নত লক্ষ্যৰ সুবিধা প্ৰদান কৰা।

৬। বিত্তীয় অন্তৰ্ভুক্তিৰ প্ৰচাৰ কৰা।

চণ্ডিগড় আৰু পুডুচেৰীত ছেপ্টেম্বৰ, 2015 মাহৰ পৰা আৰু দাদৰা আৰু নগৰ হাভেলীত মাৰ্চ, 2016-ৰ পৰা পোনপটীয়া নগদ স্থানান্তৰ আৰম্ভ কৰা হৈছিল। এই কেন্দ্ৰীয় শাসিত অঞ্চলবোৰত, এন.এফ.এছ.এ. নগদ স্থানান্তৰ আচনি ৰূপায়ণ কৰি ৰাজসাহায্যৰ নগদ সমতুল্য ধন যোগ্য পৰিয়ালবোৰৰ বেঙ্ক একাউন্টলৈ পোনপটীয়াকৈ স্থানান্তৰ কৰাৰ ব্যৱস্থা কৰিছে, যাতে তেওঁলোকে মুকলি বজাৰৰ পৰা খাদ্যশস্য ক্ৰয় কৰিব পাৰে। ৰাজহুৱা বিতৰণ প্ৰণালীৰ জৰিয়তে খাদ্যশস্য বিতৰণৰ প্ৰচলিত প্ৰণালী আঁচনিৰ অধীনত অন্তৰ্ভুক্ত নোহোৱা এলেকাবোৰত এই আচনিখন ৰূপয়নত সুবিধা হয়।

**কেন্দ্ৰীয় চৰকাৰৰ নিয়ম প্ৰস্তুত কৰাৰ ক্ষমতা**

এন.এফ.এছ.এ. ৰ ধাৰা 39(1)ৰ অধীনত, কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ সৈতে আলোচনা কৰি আৰু অধিসূচনাৰ দ্বাৰা, আইনখনৰ ব্যৱস্থাবোৰ সম্পাদন কৰাৰ বাবে নিয়ম প্ৰস্তুত কৰিব পাৰে। নিম্নলিখিত নিয়মবোৰ কেন্দ্ৰীয় চৰকাৰে জাৰী কৰিব পাৰে-

খাদ্যশস্যৰ যোগানৰ বাবে ৰাজ্য চৰকাৰসমূহক পুঁজিৰ ব্যৱস্থা কৰা।

খাদ্য সুৰক্ষা ভাট্টা নিয়মাৱলী, 2015।

ৰাজ্য চৰকাৰৰ নিয়মাৱলীত সহায় 2015।

খাদ্য সুৰক্ষআৰ বাবে নগদ ধন স্থানান্তৰ, 2015

ডব্লিউচিডি আৰু এইচআৰডিৰ অধিসূচনা

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ ধাৰা 40 ত উল্লেখ কৰা হৈছে যে ৰাজ্য চৰকাৰে অধিসূচনাৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰে প্ৰস্তুত কৰা নিয়মৰ সৈতে সামঞ্জস্য ৰাখি এই আইনৰ ব্যৱস্থাসমূহ সম্পাদন কৰাৰ বাবে নিয়ম প্ৰস্তুত কৰিব পাৰে।